**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-10-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। ৰাষ্ট্ৰ সংঘৰ অভিযানত সৈনিক যোগানেৰে অৱদান আগবঢ়োৱা ৰাষ্ট্ৰসমূহৰ মুৰব্বীসকলৰ সন্মিলন আজিৰে পৰা নতুন দিল্লীত অনুষ্ঠিত হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মংগোলীয়াৰ ৰাষ্ট্ৰপতি খুৰেলছুখ উখনাৰ উপস্থিতিত ভাৰত আৰু মংগোলীয়াৰ মাজত নতুন দিল্লীত প্ৰতিনিধি পৰ্যায়ৰ আলোচনা চলি আছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে, ভাৰত পশ্চিম এছিয়াৰ শান্তিৰ পক্ষত আছে আৰু আলোচনাৰ লগতে কূটনৈতিক প্ৰক্ৰিয়াৰে সমস্যাৰ সমাধান কৰাৰ পক্ষপাতী।

৪। জম্মু-কাশ্মীৰৰ কুপৱাৰা জিলাৰ নিয়ন্ত্ৰণ ৰেখাৰ সমীপত নিৰাপত্তা বাহিনীয়ে চলোৱা অভিযানত দুটা সন্ত্ৰাসবাদী নিহত হয়।

আৰু

৫। ভাৰত-ৱেষ্ট ইণ্ডিজ টেষ্ট ক্ৰিকেট শৃংখলাৰ দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত দ্বিতীয়খন খেলত ভাৰতে ৭ উইকেটত জয়লাভ কৰিছে।

ooooooooo

ৰাষ্ট্ৰ সংঘৰ অভিযানত সৈনিক যোগানেৰে অৱদান আগবঢ়োৱা ৰাষ্ট্ৰসমূহৰ মুৰব্বীসকলৰ সন্মিলন আজিৰে পৰা নতুন দিল্লীত অনুষ্ঠিত হৈছে। সেনা বাহিনীয়ে এই তিনি দিনীয়া সন্মিলনৰ আয়োজন কৰিছে। এই সন্মিলনত অভিযান বিষয়ক প্ৰত্যাহ্বান, নতুন ভাবুকি, শ্ৰেষ্ঠ প্ৰথাসমূহৰ আদান-প্ৰদান আৰু ভৱিষ্যত শান্তি ৰক্ষাৰ বাবে আলোচনা কৰা হ'ব। সন্মিলনত ভাষণ দি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে ভাৰতে আওপুৰণি আন্তঃৰাষ্ট্ৰীয় পৰিকাথামোসমূহৰ সংস্কাৰৰ পোষকতা কৰি আহিছে কিয়নো একাংশ দেশে মুক্তভাৱে আন্তঃৰাষ্ট্ৰীয় নিয়মসমূহ উলংঘা কৰি আছে আৰু আন একাংশই আধিপত্য বিস্তাৰৰ চেষ্টা চলাই আছে। তেওঁ কয়, যে ভাৰতে আন্তঃৰাষ্ট্ৰীয় নীত-নিয়ম আধাৰিত শৃংখলা বৰ্তাই ৰখাৰ স্থিতিত অটল হৈ আছে। মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতে শান্তিৰক্ষী অভিযানৰ সফলতা অকল সংখ্যাৰ ওপৰত নহয় বৰং প্ৰস্তুতিৰ ওপৰতো নিৰ্ভৰ কৰে বুলি বিশ্বাস কৰে। শান্তিৰক্ষী অভিযানৰ স্থায়ীত্বৰ বাবে শ্ৰী সিঙে সকলো সদস্য ৰাষ্ট্ৰকে সেনাবাহিনী, ৰচদপাতি, প্ৰযুক্তি আৰু বিশেষ সামৰ্থৰে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। সুৰক্ষিত যোগাযোগ, নিৰীক্ষণ প্ৰণালী আৰু মানৱ ৰোহিত মঞ্চৰ লেখীয়া উদ্ভাৱন সমূহে এই অভিযান অধিক নিৰাপদ আৰু ফলপ্ৰসূ কৰি তুলিব পাৰে বুলি শ্ৰী সিঙে উল্লেখ কৰে। তেওঁ কয়, যে আত্মনিৰ্ভৰ ভাৰত অভিযানৰ অধীনত দেশে কম খৰচী থলুৱা প্ৰযুক্তি বিকশাই তুলিছে আৰু এই প্ৰযুক্তিসমূহে শান্তিৰক্ষী অভিযান অধিক শক্তিশালী কৰি তুলিছে। শ্ৰী সিঙে কয়, যে শান্তিৰক্ষী অভিযানত মহিলাৰ বৰ্ধিত অংশগ্ৰহণ প্ৰেৰণাদায়ক পৰিৱৰ্তনৰূপে পৰিগণিত হৈছে। তেওঁলোকৰ অংশগ্ৰহণে এনে অভিযানসমূহ অধিক ফলপ্ৰসূ কৰি তুলিছে আৰু স্থানীয় জনসাধাৰণৰ সৈতে আস্থা গঢ়ি তোলাত সহায়

কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। শ্ৰী সিঙে কয়, যে ভাৰতে আন্তঃৰাষ্ট্ৰী শান্তি আৰু সুৰক্ষা বৰ্তাই ৰখাৰ বাবে ৰাষ্ট্ৰসংঘই চলোৱা অভিযানসমূহৰ সৈতে সদায় দৃঢ়তাৰ থিয় দি আহিছে। তেওঁ কয়, যে ভাৰতীয় সৈনিক, আৰক্ষী আৰু চিকিৎসা সেৱাৰ সৈতে জড়িত লোকসকলে ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষী অভিযানৰ সময়ত দুৰ্বল লোকৰ সুৰক্ষা আৰু সমাজৰ পুনৰ নিৰ্মাণৰ বাবে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ সৈতে কান্ধত কান্ধ মিলায় কাম কৰি আহিছে। ৰাষ্ট্ৰসংঘৰ হৈ ১৮০ গৰাকীতকৈও অধিক ভাৰতীয় শান্তিৰক্ষীয়ে প্ৰাণ আহুতি দিছে আৰু তেওঁলোকৰ সাহস আৰু নিঃস্বাৰ্থ সেৱা মানৱ জাতিৰ বাবে সদায় স্মৰণীয় হৈ ৰ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। (বাইট ঃ ৰাজনাথ)

সন্মিলনত অংশগ্ৰহণ কৰি স্থল সেনাৰ মুৰব্বী জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে উন্নত প্ৰযুক্তিৰ একীকৰণ, নিয়োজনৰ দ্ৰুত সমৰ্থ বৃদ্ধি আৰু সৈন্য অভিযানত অৱদান আগবঢ়োৱা দেশসমূহৰ মাজত পাৰস্পৰিক সহযোগিতা বৃদ্ধিত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে ভৱিষ্যতে শান্তিৰক্ষা অভিযান বৰ্তাই ৰাখিবলৈ সমূহীয়া প্ৰশিক্ষণ আৰু উদ্ভাৱনমূলক সম্পদ ব্যৱস্থা পৰা জৰুৰী হ'ব। জেনেৰেল দ্বিবেদীয়ে কয়, যে ভাৰতে বৰ্তমানলৈকে ৰাষ্ট্ৰসংঘৰ ৭১ টা শান্তিৰক্ষী অভিযানৰ ভিতৰত ৫১ টা অভিযানৰ বাবে তিনি লাখ মহিলা আৰু পুৰুষ সৈনিক প্ৰেৰণ কৰিছে। এই সন্মিলনত ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষী অভিযানত সহযোগিতা আগবঢ়ো ৩২খন দেশৰ মুৰব্বী আৰু প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মংগোলীয়াৰ ৰাষ্ট্ৰপতি খুৰেলছুখ উখনাৰ উপস্থিতিত ভাৰত আৰু মংগোলীয়াৰ মাজত নতুন দিল্লীত প্ৰতিনিধি পৰ্যায়ৰ আলোচনা চলি আছে। বৈঠকত দুয়ো পক্ষই দ্বিপাক্ষিক সম্পৰ্কৰ সকলো দিশৰ পৰ্যালোচনা চলাব। আলোচনাৰ অন্তত কেইবাখনো বুজিবুজিৰ চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে।

ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতি উখনাই আজি পুৱা ৰাজঘাট পৰিদৰ্শন কৰে আৰু মহাত্মা গান্ধীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে।

চাৰিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ অহা মংগোলীয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে আজি সন্ধিয়া ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব। ৰাষ্ট্ৰপতি উখনাৰ সৈতে কেবিনেট মন্ত্ৰী, সাংসদ, জ্যেষ্ঠ বিষয়া, আগশাৰীৰ ব্যৱসায়ী আৰু সাংস্কৃতিক জগতৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলো ভাৰতলৈ আহিছে।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে, ভাৰত পশ্চিম এছিয়াৰ শান্তিৰ পক্ষত আছে আৰু আলোচনাৰ লগতে কূটনৈতিক প্ৰক্ৰিয়াৰে সমস্যাৰ সমাধান কৰাৰ পক্ষপাতী। ইজিপ্তৰ ছাৰ্ম এল-শ্বেখ শান্তি সন্মিলনত উপস্থিত থাকি কালি বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী কীৰ্তিবৰ্ধন সিঙে কয়, যে ভাৰতে গাজা শান্তি পৰিকল্পনাক সমৰ্থন কৰে। অঞ্চলটোত শান্তি ঘূৰাই অনাৰ ক্ষেত্ৰত ইজিপ্ত আৰু কাটাৰে লোৱা গুৰুত্বপূৰ্ণ ভূমিকাকো ভাৰতে প্ৰশংসা কৰে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি অঞ্চলটোত শান্তি বৰ্তাই ৰখাৰ ক্ষেত্ৰত লোৱা সকলো ধৰণৰ উদ্যোগৰ প্ৰতি ভাৰতৰ সমৰ্থন থাকিব। ইজিপ্তৰ ৰাষ্ট্ৰপতি আব্দেল ফাটেহ অল-ছিছি আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে যুটীয়াভাৱে আহ্বান কৰা এই শান্তি সন্মিলনত কেইবাখনো দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

০০০০০০০০০

বিহাৰৰ বিধানসভা নিৰ্বাচন আৰু আন কেইবাখনো ৰাজ্যৰ উপ-নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন আয়োগে ৰাজনৈতিক দলসমূহৰ লগতে প্ৰাৰ্থীসকলক সামাজিক মাধ্যম ৱেবছাইটকে ধৰি যিকোনো ৱেবছাইটত ৰাজনৈতিক বিজ্ঞাপন নিদিবলৈ নিৰ্দেশ দিছে। আয়োগে গঠন কৰা নিৰীক্ষণ কমিটিৰ আগতীয়া অনুমতি অবিহনে যিকোনো বিজ্ঞাপন প্ৰকাশ নকৰিবলৈও দল আৰু প্ৰাৰ্থীসকলক আয়োগে নিৰ্দেশ দিছে। আয়োগে প্ৰকাশ কৰিছে যে, জিলা আৰু ৰাজ্যিক পৰ্যায়ত গঠন কৰা এই কমিটিসমূহে নিৰ্দিষ্ট নিৰ্দেশনা অনুসৰি ৰাজনৈতিক বিজ্ঞাপনৰ ক্ষেত্ৰত আগতীয়া অনুমোদন জনাব। নিৰ্বাচনী প্ৰক্ৰিয়াত সামাজিক মাধ্যমৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি আয়োগে প্ৰাৰ্থীসকলক মনোনয়ন দাখিলৰ সময়ত তেওঁলোকৰ সামাজিক মাধ্যম একাউণ্টসমূহৰ যাৱতীয় তথ্য দাখিলৰ নিৰ্দেশ দিছে। ৰাজনৈতিক দলসমূহে নিৰ্বাচনৰ পাছত ৭৫ দিনৰ ভিতৰত নিজৰ সামাজিক মাধ্যম আৰু ৱেবছাইটত নিৰ্বাচনী ব্যয়ৰ বিস্তৃত বিৱৰণ প্ৰকাশ কৰিব লাগিব।

ooooooooo

বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। জে ডি ইউৰ ৰাষ্ট্ৰীয় সভাপতি তথা মুখ্যমন্ত্ৰী নীতিশ কুমাৰে আজি বিয়লি পাটনাত থকা তেওঁৰ বাসগৃহত দলৰ জ্যেষ্ঠ নেতাসকলৰ এখন বৈঠক আহ্বান কৰিছে। ইপিনে জে ডি ইউ প্ৰাৰ্থী তথা সোণবৰ্ষা সষ্টিক প্ৰতিনিধিত্ব কৰা মন্ত্ৰী ৰত্নেশ ছাদাক দলৰ নিৰ্বাচনী প্ৰতীক আৱণ্টন কৰা হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা উপ-মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰীয়ে কৈছে, যে দলৰ প্ৰাৰ্থীৰ তালিকা শীঘ্ৰে ঘোষণা কৰা হ'ব। লোক জনশক্তি পাৰ্টিৰ ৰাম বিলাস পাছোৱান গোটৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী ছিৰাগ পাছোৱানে কৈছে, যে এন ডি এৰ অংশীদাৰ দলসমূহৰ মাজত আসনৰ ভাগ-বটোৱাৰাৰ বিষয়টো আলোচনাৰে মিমাংসা কৰা হ'ব। কোনটো দলে কোনটো সমষ্টিৰ পৰা প্ৰতিনিধিত্ব আগবঢ়াব সেই বিষয়ক আলোচনা চূড়ান্ত পৰ্যায়ত আছে বুলি তেওঁ জানিবলৈ দিয়ে।

ৰাষ্ট্ৰীয় লোকমৰ্চাৰ সভাপতি উপেন্দ্ৰ কুশ্বাহাই কৈছে, যে এন ডি এৰ সকলো মিত্ৰদল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ নেতৃত্বত ঐক্যবদ্ধ হৈ আছে। ইপিনে মহামিত্ৰজোঁটৰ অংশীদাৰ ৰাষ্ট্ৰীয় জনতা দল আৰু কংগ্ৰেছৰ মাজত আসনৰ ভাগ বাটোৱাৰাক লৈ কোনো প্ৰগতি হোৱা নাই। অৱশ্যে আৰ জি ডিৰ কেইবাগৰাকীও প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিলৰ প্ৰস্তুতি আৰম্ভ কৰিছে।

ooooooooo

জম্মু-কাশ্মীৰৰ কুপৱাৰা জিলাৰ নিয়ন্ত্ৰণ ৰেখাৰ সমীপত নিৰাপত্তা বাহিনীয়ে চলোৱা অভিযানত দুটা সন্ত্ৰাসবাদী নিহত হয়। সেনা বাহিনীৰ সূত্ৰই প্ৰকাশ কৰা মতে সীমান্তৱৰ্তী জিলাখনৰ মাছিল ছেক্টৰত সেনা বাহিনী আৰু জম্মু-কাশ্মীৰ আৰক্ষীয়ে কালি যুটীয়া অভিযান চলায়। সেনাবাহিনীৰ মুখপাত্ৰই প্ৰকাশ কৰা অনুসৰি সেই সময়তে শসস্ত্ৰ সন্ত্ৰাসবাদীয়ে গুলীবৰ্ষণ কৰে আৰু প্ৰত্যুত্তৰত নিৰাপত্তা বাহিনীয়েও গুলীবৰ্ষণ কৰে। ঘটনাস্থলীৰ পৰা বহুতো অস্ত্ৰ-শস্ত্ৰ আৰু সা-সঁজুলি উদ্ধাৰ কৰা হয়।

ooooooooo

ভাৰত-ৱেষ্ট ইণ্ডিজ টেষ্ট ক্ৰিকেট শৃংখলাৰ দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত দ্বিতীয়খন খেলত ভাৰতে ৭ উইকেটত জয়লাভ কৰিছে। এই জয়ৰ জৰিয়তে ভাৰতে শৃংখলাটোত ২-০ৰ অগ্ৰগতি লাভ কৰিলে। খেলৰ পঞ্চম দিনত ভাৰতৰ বেটছমেনসকলে সহজেই প্ৰয়োজনীয় ১২১ ৰান সংগ্ৰহ কৰে। অপেনাৰ কে এল ৰাহুলে অপৰাজিত ৫৮ ৰান কৰাৰ বিপৰীতে ছাই সুদৰ্শনে ৩৯ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথম ইনিংছত ৫১৮ ৰান সংগ্ৰহ কৰিছিল আৰু প্ৰথম ইনিংছত ৱেষ্ট ইণ্ডিজক ২৪৮

ৰানতে সীমাবদ্ধ কৰি ৰাখিবলৈ সমৰ্থ হৈছিল। ফ'ল অনৰ সন্মুখীন হোৱাৰ পাছত ভ্ৰমণকাৰী দলটোৱে দ্বিতীয় ইনিংছত জন কেম্পবেল আৰু ছাই হ'পৰ উজ্জীৱিত খেলৰ জৰিয়তে ৩৯০ ৰান সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। ৱেষ্ট ইণ্ডিজে জয়ৰ বাবে ভাৰতক ১২১ ৰানৰ লক্ষ্য বান্ধি দিয়ে যদিও ভাৰতৰ খেলুৱৈসকলে সহজেই এই লক্ষ্যত উপনীত হৈ বিজয় সাব্যস্ত কৰে।

ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ভাৰত একেৰাহে দশমবাৰৰ বাবে টেষ্ট শৃংখলাত বিজয়ী হয়।

০০০০০০০০০

সমাপ্ত